কেন্দ্ৰীয় চৰিত্ৰ ৰিশ্বাং? আৰু বাস্তৱত ৰিশ্বাঙৰ পুত্ৰৰ নাম জানো সঁচাকৈয়ে ঈয়াৰুইংগম? ঈয়াৰুইংগম উপন্যাসখনৰ শেষৰ ফালে, অধ্যায় ছাবিছত ৰিশ্বাং আৰু সন্তানসম্ভৱা খুটিংলাৰ কথোপকথনত ৰিশ্বাঙেই কৈছিল— “ল'ৰা হ'লে তাৰ নাম কি ৰাখিম জান?...ঈয়াৰুইংগম।” ইমান বছৰে মই কেতিয়াও জনা নাছিলোঁ যে সঁচাকৈয়ে ৰিশ্বাঙৰ প্ৰথম সন্তান পুত্ৰ আৰু নাম ঈয়াৰুইংগম। এই তথ্য মই ক'তো পোৱা নাছিলোঁ আৰু কেতিয়াও ভাবি চোৱাও নাছিলোঁ। আনকি বাস্তৱতনো ৰিশ্বাঙে কাক বিয়া পাতিলে, চাৰেংলাকেই নে খুটিংলাক, বা বিয়াইবা পাতিলে নে নাই সেই কথাও কেতিয়াও ভবা নাছিলোঁ। আটাইতকৈ ডাঙৰ কথা ৰিশ্বাংনো আচলতে কোন সেই কথাটোতো মই গুৰুত্ব দিয়া নাছিলোঁ। মই অলপ লজ্জিতও হ'লোঁ। কিন্তু মোৰ পূৰ্ববৰ্তী আলোচক-গৱেষক কোনোবাই এই বিষয়ে কিবা জানিছিল বা লিখিছিল বুলি মোৰ মনত নপৰে। আশ্চৰ্য আৰু উদগ্ৰীৱতাই মোক অধৈৰ্য কৰি তুলিছিল। মই কৈ উঠিলোঁ— “আৰু কওকচোন আপুনি। আৰু কি জানে কওক।”

এক আকস্মিক সংযোগত মই লগ পোৱা ড° এ এছ ঈয়াৰুইংগমে অতি সহজভাৱে ক'লে—“ৰিশ্বাং কেইছিং দিল্লীতে থাকে। বহুত দিন অৱশ্যে মই তেওঁলোকৰ কাকো লগ পোৱা নাই। তাতে ৰিশ্বাং কেইছিঙৰ এতিয়া বহুত বয়স হৈছে। স্বাস্থ্যও ভালে নাই।”

কি! দিল্লীতে থাকে? মানে মই ইমানদিনে বাস্তৱৰ ৰিশ্বাং থকা ঠাইখনতে থাকি উপন্যাসৰ ৰিশ্বাং নামৰ চৰিত্ৰটো বিশ্লেষণ কৰাত ব্যস্ত আছিলোঁ! সেই মুহূৰ্তত মোৰ এনে লাগিছিল যেন তৎমুহূৰ্ততে মই দৌৰি যাম ৰিশ্বাঙৰ ওচৰলৈ!

সেই মুহূৰ্ততে নহ'লেও সেইদিনাৰপৰাই মই ৰিশ্বাঙক বিচাৰিবলৈ আৰম্ভ কৰিলোঁ। অধ্যাপক ড° এ এছ ঈয়াৰুইংগমে মোৰ হাতত তুলি দিয়া তেখেতৰ নম্বৰত ফোন কৰিলোঁ। কিন্তু বিচাৰিলোঁ বুলিয়েই লগে লগে ৰিশ্বাঙক লগ পোৱা ইমান সহজ নাছিল। তেখেতক ফোনত পোৱাটোও অসম্ভৱপ্ৰায় আছিল। সেই সময়ত তেখেতৰ বয়স নবৈ। স্বাস্থ্য ভালে নথকাৰ কাৰণে তেখেতলৈ ফোন কৰিলে আন কোনোবাই উঠায় যদিও অতি শীতল সঁহাৰিৰে চুটিকৈ কথোপকথন সামৰি থয়। কিন্তু মই নাছোড়বান্দা। যেনে-তেনে হ'লেও মই ৰিশ্বাঙক এবাৰ লগ ধৰিবই লাগিব। মই ইণ্টাৰনেট খুঁচৰি আৰু অন্যান্য উৎসৰ পৰাও ৰিশ্বাং কেইছিঙৰ সৈতে যোগাযোগ কৰাৰ চেষ্টা অব্যাহত ৰাখিলোঁ। চৰকাৰী আৰু ব্যক্তিগত দুয়োটা ফোন নাম্বাৰতে মই তেখেতক যোগাযোগ কৰিবলৈ চেষ্টা কৰি থাকিলোঁ। কেতিয়াবা কোনোবাই ফোন উঠায়, কেতিয়াবা নুঠায়। মোৰ পৰিচয় আৰু উদ্দেশ্য কোৱাৰ পাছতো প্ৰত্যেকৰে মনত যেন মোৰ প্ৰতি একধৰণৰ অবিশ্বাস, কোনো ধৰণৰ ৰাজনৈতিক উদ্দেশ্য নোহোৱাকৈ বয়োজ্যেষ্ঠ সাংসদ ৰিশ্বাং কেইছিঙক লগ ধৰিবলৈ মই কিয় কিমানকৈ উত্ৰাৱল হৈ আছোঁ। মই কেনেকৈ বুজাওঁ যে মই ৰাজনীতিৰ মহাৰথী ৰিশ্বাং কেইছিঙক লগ পোৱাৰ কোনো হাবিয়াস মোৰ নাছিল, মই বিচাৰিছিলোঁ আমাৰ অসমীয়া সাহিত্যৰ সম্পদ ঈয়াৰুইংগমৰ নায়ক ৰিশ্বাঙক বাস্তৱত এবাৰ লগ ধৰিবলৈ। এবাৰ, মাথোঁ এবাৰ। কিন্তু পৰিস্থিতিয়ে সেয়া সহজে হ'বলৈ দিয়া নাছিল। তাৰ মাজতে এদিন গম পালোঁ, ৰিশ্বাং কেইছিঙৰ এটা অস্ত্ৰোপচাৰ হৈছে আৰু তেখেতক অনিৰ্দিষ্ট সময়ৰ কাৰণে মণিপুৰলৈ লৈ যোৱা হৈছে। এইবাৰ যেন মই কিছু হতাশ হৈ পৰিছিলোঁ। প্ৰথমবাৰৰ কাৰণে মোৰ মনলৈ নঞাৰ্থক চিন্তা আহিল আৰু মই একপ্ৰকাৰৰ স্বাৰ্থপৰৰ দৰে ভাবিছিলোঁ, এই মানুহজনৰ যদি কিবা এটা হয় আৰু তেখেত যদি আৰু কেতিয়াও দিল্লীলৈ উভতি আহিব নোৱাৰে? আৰু মই মণিপুৰ নিজে গৈ ওলালেও যদি তেখেতক আৰু কেতিয়াও লগ নাপাওঁ? এনেদৰে মই দিন, সপ্তাহ আৰু মাহবোৰ উদগ্ৰীৱ অপেক্ষাত কটাইছিলোঁ। মই ২০০৯ চনৰ শেষ আৰু ২০১০ৰ আৰম্ভণিত ৰিশ্বাঙক বাৰে বাৰে বিচাৰি ফুৰিছিলোঁ, ঈয়াৰুইংগমৰ পাতৰ মাজত আৰু বাস্তৱ জীৱনত। অনেক মাধ্যমেৰে মই মোৰ অনুসন্ধান আৰু প্ৰচেষ্টা অব্যাহত ৰাখিছিলোঁ। ইতিমধ্যে মোৰ গৱেষণা গ্ৰন্থখন শেষ হৈ আহিছিল। কিন্তু মই যে ৰিশ্বাঙক বিচাৰি ফুৰিছিলোঁ। ৰিশ্বাঙক লগ নোপোৱাকৈ মই গৱেষণা গ্ৰন্থ বিশ্ববিদ্যালয়ত জমা দিব খোজা নাছিলোঁ। মোৰ এনেকুৱা লাগিছিল যে ৰিশ্বাঙৰ ঠিকনা আকস্মিক সংযোগবশতঃ মোৰ হাতত আহি পৰাৰ পাছতো মই তেখেতক বিচাৰি নুলিউৱাকৈ মোৰ গৱেষণা গ্ৰন্থ জমা দিলে মোৰ কাম আধৰুৱা হৈ ৰ'ব।

এদিন ৰিশ্বাং কেইছিঙৰ খবৰ ল'বলৈ তেখেতৰ মণিপুৰৰ ঘৰলৈ ফোন কৰোঁতে ফোনটো কোনোবা এজনে ধৰিলে আৰু ক'লে তেখেতৰ স্বাস্থ্য ভাললৈ আহিছে আৰু এতিয়া তেখেত দিল্লীত। ফোনত কথা পতাগৰাকীয়ে মোক তেখেতৰ দিল্লীৰ নম্বৰত যোগাযোগ কৰিবলৈ কৈ ফোনটো থ'লে। সেয়া ২০১০ চনৰ আৰম্ভণিৰ কথা। শীতে মেলানি মগা বতৰ। মোৰো মনত জমা হোৱা শীত আৰু ডাৰৰ আঁতৰাই আশাৰ বেলিটোৱে ভুমুকি মাৰিলে। সেইবাৰ অপেক্ষা বেছি দীঘলীয়া নাছিল। এদিন মই ৰিশ্বাং কেইছিঙক দক্ষিণ দিল্লীৰ ১২, তালকোটৰা ৰ'ডত থকা তেখেতৰ চৰকাৰী বাসগৃহত লগ ধৰাৰ সুযোগ পালোঁ। ৰিশ্বাঙক বিচৰা মোৰ এই সমগ্ৰ যাত্ৰাটোৰ কথা আটাইতকৈ বেছিকৈ জানিছিল মোৰ গৱেষণাৰ গুৰু প্ৰফেছৰ প্ৰকাশ পট্টনায়ক ছাৰে। সাংসদ ৰিশ্বাং কেইছিঙৰ মাজত উপন্যাসৰ নায়ক ৰিশ্বাঙক বিচাৰি উলিয়াওঁতে মোৰ লগতে ছাৰকো লগ ধৰিছিলোঁ। একেযাৰতে ছাৰো মোৰ লগত যাবলৈ আগ্ৰহেৰে সাজু হৈছিল। ছাৰে ঈয়াৰুইংগমৰ দ্বিতীয়টো ইংৰাজী অনুবাদ, অৰ্থাৎ Love in the time of Insurgencyখন খৰচি মাৰি পঢ়িছিল। ছাৰক আকৌ সেইখন উপহাৰ দিছিল মামণি বাইদেৱে (মামণি ৰয়ছম গোস্বামী)। বহু বছৰৰ আগতে বাইদেৱে আমাৰ বিভাগত ঈয়াৰুইংগম বিষয়ক প্ৰবন্ধ লিখি পাঠ কৰিছিল। সেই প্ৰবন্ধৰ কপি আৰু বাইদেউৰ হস্তাক্ষৰ সম্বলিত ছাৰক দিয়া উপন্যাসখন বৰ্তমান মোৰ ওচৰত আছে। কিন্তু ছাৰে কোৱা মতে, মামণি বাইদেৱেও কেতিয়াও বাস্তৱৰ ৰিশ্বাঙৰ কথা কোৱা নাছিল। মই নিজে গৱেষণা আৰম্ভ কৰাৰ পাছত বাইদেউ আৰু অসমৰ অনেকৰ সৈতে ঈয়াৰুইংগম বিষয়ক বিভিন্ন কথা পাতিছিলোঁ যদিও কোনোৱে মোক বাস্তৱৰ ৰিশ্বাঙৰ কথা কোৱা নাছিল। সকলোৱে কিজানি ইমান পুৰণি চৰিত্ৰটোৰ আঁৰৰ মানুহজন থকাৰ কথা কেতিয়াও ভাবিয়েই চোৱা নাছিল। পঞ্চাছ বছৰ পুৰণি উপন্যাস এখনৰ কেন্দ্ৰীয় চৰিত্ৰক বাস্তৱত লগ পাবলৈ পট্টনায়ক ছাৰো আগ্ৰহী হৈ উঠিছিল। Appointment লৈ থোৱা অনুসৰি নিৰ্দিষ্ট দিনটোৰ নিৰ্দিষ্ট সময়ত আমি ৰামমোহন লোহিয়া হস্পিটেলৰ কাষেদি গৈ তালকোটৰা ৰ'ডৰ ৰিশ্বাং কেইছিঙৰ বাসভৱনটোৰ চৌহদ পালোঁগৈ। সাংসদৰ কাৰণে আবণ্টিত চৰকাৰী বাসভৱন। গে'টত সুৰক্ষা অধিকাৰীৰ কটকটীয়া পহৰা। দক্ষিণ দিল্লীৰ এই অভিজাত এলেকাটো বেচ দৃষ্টিনন্দন। আহল-বহল মিহি ৰাজপথ, প্ৰাচীন গছৰ শাৰী আৰু বাটৰ কাষে কাষে সযত্নপালিত ফুল। এবিধ লাহী বাঁহৰ বেৰেৰে পকী দেৱালৰ ওপৰছোৱা ওখকৈ ঘেৰি থোৱা কোৱাৰ্টাৰবোৰ মন্ত্ৰী-আমোলাৰ। বাঁহৰ বেৰবোৰ সেউজীয়া ৰং কৰা আৰু ঘৰবোৰ বগা। প্ৰতিটো ঘৰৰ সমুখত সেউজীয়া ঘাঁহনি। এনেকুৱা একে ধৰণৰ এটা ঘৰেই ৰিশ্বাং কেইছিঙৰ ঘৰ। গে'টত থকা পহৰাদাৰী পাৰ হৈ ঘৰটোলৈ সোমাই গৈ থাকোঁতে মনলৈ ভাব আহিছিল, মই বাৰু ঈয়াৰুইংগমৰ